**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ত কালি প্ৰায় ৬৭ দশমিক ৭-১ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

২। লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে।

৩। বিহাৰৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সুশীল কুমাৰ মোদীৰ কালি নতুন দিল্লীত দেহাৱসান ঘটে।

৪। ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো ইটালিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

**আৰু**

৫। গুজৰাট টাইটানছ্ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ত কালি প্ৰায় ৬৭ দশমিক ৭-১ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চল সামৰি লোৱা হয়। ইয়াৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি চতুৰ্থ পৰ্যায়ত বিহাৰত ৫৭ দশমিক ০-২, জম্মু কাশ্মীৰত ৩৭ দশমিক ৯-৮, ঝাৰখণ্ডত ৬৫ দশমিক ৩-১, মধ্যপ্ৰদেশত ৭০ দশমিক ৯-৮, মহাৰাষ্ট্ৰত ৫৯ দশমিক ৬-৪, ওড়িশাত ৭৩ দশমিক ৯-৭, তেলেংগানাত ৬৪ দশমিক ৯-৩, উত্তৰ প্ৰদেশত ৫৮ দশমিক ০-৫, পশ্চিমবংগত ৭৮ দশমিক ৪-৪ শতাংশ ভোটদান হয়। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ইভিএমত বন্দী হয়। নিৰ্বাচন আয়োগে কালি ভোটগ্ৰহণ প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱা বুলি প্ৰকাশ কৰিছে। আয়োগে কৈছে যে, দুৰ্ভাগ্যজনক ঘটনাক্ৰমত তেলেংগানাৰ চম্পাপেটত কালি নিৰ্বাচনী কৰ্তব্য সম্পাদনৰ সময়ত এগৰাকী নিৰ্বাচনী বিষয়াৰ দেহাৱসান ঘটে। আয়োগে এই সন্দৰ্ভত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰি তেলেংগানাৰ মুখ্য নিৰ্বাচনী বিষয়াৰ দেহাৱসান ঘটা নিৰ্বাচনী বিষয়াগৰাকীৰ পৰিয়ালক ততালিকে এককালীন সাহায্য প্ৰদান কৰিব নিৰ্দেশ দিছে।

০০০০০

লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰি ভোটদাতাক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নিজৰ সংসদীয় সমষ্টি উত্তৰ প্ৰদেশৰ বাৰাণসীত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ৰোড শ্ব'ৰ সময়ত পথৰ দুয়োকাষে হাজাৰ হাজাৰ লোক সমবেত হোৱা পৰিলক্ষিত হয়। শ্ৰীমোদীয়ে সন্ধিয়াৰ ভাগত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ বাহিৰৰ মহামনা মোদন মোহন মালব্যৰ প্ৰতিমূৰ্তিত পুষ্পমাল্য তৰ্পণ কৰাৰ পাছত ৫ কিলোমিটাৰ দীঘলীয়া এই ৰোড শ্ব' আৰম্ভ কৰে।

একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি মহাৰাষ্ট্ৰৰ ধুলেত প্ৰচাৰ সভাত অংশ লয়। তেওঁ কয় যে, নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে ভাৰত তৃতীয় সৰ্ববৃহৎ অৰ্থনীতিত পৰিণত হ'ব। কংগ্ৰেছৰ ১০ বছৰীয়া শাসনকালত ভাৰতীয় অৰ্থনীতি একাদশ স্থানত আছিল বুলি উল্লেখ কৰি শ্ৰীশ্বাহে লগতে কয় যে, ইয়াৰ পৰিৱৰ্তে এন ডি এ চৰকাৰে দেশক পঞ্চম স্থানলৈ উন্নীত কৰিলে।

ইফালে অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই কালি পাঞ্জাবৰ পাটিয়ালাত দলীয় প্ৰাৰ্থীৰ হৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ডং শৰ্মাই কংগ্ৰেছ আৰু আম আদমী পাৰ্টীৰ বুজাবুজিয়ে পঞ্জাৱক সম্পূৰ্ণৰূপে ধবংস কৰিলে আৰু প্ৰগতিশীল পাঞ্জাবৰ বাবে এতিয়া বিজেপিয়ে হৈছে একমাত্ৰ বিকল্প বুলি মন্তব্য কৰে।

আনহাতে কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে ভগ্নী তথা কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাড্ৰাৰ সৈতে কালি ৰায়বৰেলীত প্ৰচাৰ চলায়। শ্ৰীগান্ধীয়ে কয় যে, কংগ্ৰেছ দল ক্ষমতালৈ আহিলে দলে কৃষকসকলৰ ঋণ মাফ কৰিব।

ইফালে বি এছ পিৰ মুৰব্বী মায়াৱতীয়ে কালি উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্ণৌত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। বিজেপিক আক্ৰমণ কৰি শ্ৰীমতী মায়াৱতীয়ে কয় যে, গেৰুৱা দলটোক এইবাৰ ক্ষমতালৈ নাহে।

ooooo

বিদেশ মন্ত্ৰী ড°এছ জয়শংকৰে কালি দৃঢ়তাৰে কয় যে ভাৰত আৰু ইৰাণৰ মাজৰ চাবাহাৰ বন্দৰ চুক্তিয়ে বৃহৎ বিনিয়োগৰ পথ মুকলি কৰিব আৰু ভাৰতক মধ্য এছিয়াৰ সৈতে সংযোগ কৰিব।

মুম্বাইত এখন সংবাদমেল সম্বোধন কৰি বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে এই চুক্তিখন হ 'ল কৌশলগতভাৱে অতি বিশেষ আৰু ই কৰাচীৰ লগতে পাকিস্তানৰ গ্বাদাৰ বন্দৰসমূহক বাদ দিইৰাণৰ মাজেৰে দক্ষিণ এছিয়া আৰু মধ্য এছিয়াৰ মাজত নতুন বাণিজ্যিক পথ মুকলি কৰিব।তেওঁ লগতে কয় যে ইয়াৰ দ্বাৰা ব্যৱসায়িক সম্প্ৰদায়ে স্পৰ্শকাতৰ আৰু ব্যস্ত পাৰস্য উপসাগৰ আৰু হৰমুজ প্ৰণালীৰ সলনি সৰবৰাহৰ বিকল্পপথৰ অন্বেষণ কৰিবলৈ নতুন অৰ্থনৈতিক সুযোগ লাভ কৰিব।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, এন ডি এ চৰকাৰৰ বিত্তীয় ব্যৱস্থাপনা ইউ পি এৰ তুলনাত যথেষ্ট ভাল আৰু ক'ভিড মহামাৰীৰ প্ৰত্যাহ্বানৰ সময়ত সাহায্য অভিযানৰ বাবে পৰ্যাপ্ত সম্পদ ব্যৱহাৰ কৰা হৈছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে এইদৰে প্ৰকাশ কৰে। কংগ্ৰেছক সমালোচনা কৰি শ্ৰীমতী সীতাৰমনে দলটোৱে ইস্তাহাৰত প্ৰকাশ কৰা ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে কি পৰিকল্পনা গ্ৰহণ কৰিছে বুলি প্ৰশ্ন উত্থাপন কৰে। দলটোৱে প্ৰস্তাৱিত

আঁচনিসমূহৰ বাবদ কিমান ব্যয় হ'ব সেয়া গণনা কৰিছে নে নাই সেই বিষয়েও তেওঁ জানিব বিচাৰে। মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক বিত্তীয় অপব্যয়ৰ বিশাল আঁচনিসমূহ কৰ বৃদ্ধি নকৰাকৈ বা বৃহৎ ঋণ নোলোৱাকৈ অথবা অৰ্থ ব্যৱস্থাৰ পতন অবিহনে কেনেকৈ ৰূপায়ণ কৰা হ'ব তাৰ ব্যাখ্যা আগবঢ়াবলৈ কয়।

00000

বিহাৰৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সুশীল কুমাৰ মোদীৰ কালি নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান ঘটে। বিজেপিৰ জ্যেষ্ঠ নেতাসকলে সুশীল কুমাৰ মোদীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোকবাৰ্তাত কয় যে, সুশীল কুমাৰ মোদীয়ে বিহাৰত বিজেপিৰ উত্থান আৰু সাফল্যত অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, নেতাগৰাকীয়ে জৰুৰীকালীন অৱস্থাৰ তীব্ৰ বিৰোধিতা কৰি ছাত্ৰ ৰাজনীতিত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ৰাজনীতিৰ সৈতে জড়িত বিষয়সমূহৰ ক্ষেত্ৰত প্ৰয়াত সুশীল কুমাৰ মোদীৰ গভীৰ জ্ঞান আছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে, নেতাগৰাকীয়ে প্ৰশাসক হিচাপে ভালেমান উল্লেখনীয় কাম কৰি থৈ গৈছে আৰু জি এছ টি বিধেয়ক গ্ৰহণ কৰাৰ ক্ষেত্ৰত তেওঁৰ সক্ৰিয় ভূমিকাৰ কথা সদায় স্মৰণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে তেওঁৰ শোকবাৰ্তাত কয় যে, সুশীল কুমাৰ মোদীৰ বিয়োগত বিহাৰে চিৰকালৰ বাবে এগৰাকী মহান নেতাক হেৰুৱালে। শ্ৰীশ্বাহে কয় যে, প্ৰয়াত নেতাগৰাকীৰ ৰাজনীতি দুখীয়া আৰু পিছপৰা শ্ৰেণীৰ লোকৰ স্বাৰ্থৰ প্ৰতি উৎসৰ্গিত আছিল। সুশীল কুমাৰ মোদীৰ বিয়োগত বিহাৰৰ ৰাজনীতিত সৃষ্টি হোৱা শূন্যতা বহুদিনলৈ পূৰণ কৰিব পৰা নাযাব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই এটা বাৰ্তাত কয় যে, প্ৰয়াত নেতাগৰাকীয়ে সমগ্ৰ জীৱন বিহাৰৰ নামত উৎসৰ্গা কৰি থৈ গৈছে আৰু তেওঁৰ প্ৰয়াসে ৰাজ্যখনক উন্নয়নৰ পথত অগ্ৰসৰ হোৱাত সহায় কৰিছে। সুশীল কুমাৰ মোদীৰ বিয়োগ বিজেপিৰ অগণন কৰ্মীৰ অপূৰণীয় ক্ষতি বুলি শ্ৰীনাড্ডাই মন্তব্য কৰে।

00000

**ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা , এন টি এয়ে কাইলৈৰ পৰা অহা ১৮ মে 'লৈ স্নাতক পৰ্য্যায়ৰ বাবে চলিত বৰ্ষৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা , চি ইউ ই টি (ইউ জি) অনুষ্ঠিত কৰিব। সংস্থাই ভাৰতৰ বাহিৰৰ ২৬খন চহৰকে ধৰি দেশৰ ৩৭৯খন চহৰত এই পৰীক্ষা অনুষ্ঠিত হ 'ব। পৰীক্ষাৰ্থীসকলৰ এডমিট কাৰ্ড** cuet-ugl@nta.ac.in **ৱেবছাইটত মুকলি কৰা হৈছে বুলি সংস্থাই এক বিবৃতিযোগে জানিবলৈ দিছে। পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ আবেদন পত্ৰৰ নম্বৰ আৰু জন্ম তাৰিখ ব্যৱহাৰ কৰি ৱেবছাইটৰ পৰা এডমিট কাৰ্ড ডাউনলোড কৰিব পাৰিব। পৰীক্ষা সন্দৰ্ভত শেহতীয়া তথ্যৰ বাবে পৰীক্ষাৰ্থীসকলক নিয়মীয়াকৈ সংস্থাৰৱেবছাইট** www.nta.ac.in **আৰু** cuet-ug@nta.ac.in **চাবলৈ পৰামৰ্শ দিয়া হৈছে।**

00000

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো ইটালিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বোপন্না আৰু এবডেনৰ যুটীটোৱে কালি প্ৰতিযোগিতাৰ এখন খেলত ইটালীৰ ফ্ৰান্সেস্ক' পাছাৰ' আৰু মাতেঅ' অৰ্নাল্ডিক ৬-২, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰে। দ্বিতীয় বাছনিপ্ৰাপ্ত বোপন্না আৰু এবডেনৰ যুটীটো আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইটালীৰ ছিম'ন ব'লেলি আৰু এন্ড্ৰিয়া ৱাৱাচ্ছৰিৰ সন্মুখীন হ'ব।

00000

গুজৰাট টাইটানছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত কালি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলখন বৰষুণৰ বাবে এটাও বল নেখেলাকৈ

পৰিত্যক্ত ঘোষণা কৰাত গুজৰাট দলটো প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে। খেলখন পৰিত্যক্ত ঘোষণা কৰাত কলকাতা আৰু গুজৰাট উভয় দলে এক পইণ্টকৈ লাভ কৰে। ফলত প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষ দুটা দলৰ মাজত ইতিমধ্যে প্লেঅফ পৰ্যায়ত প্ৰবেশ কৰা কলকাতা নাইট ৰাইডাৰ্ছৰ স্থান নিশ্চিত হৈ পৰে। যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুসহ ৬টা দল প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ৰ দৌৰত আছে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতীয় বক্সাৰসকলে কাজাখস্তানৰ আস্তানাত অনুষ্ঠিত চলিত বৰ্ষৰ এল ’ৰ্ডা কাপ প্ৰতিযোগিতাৰ উদ্বোধনী দিনটোত জয়েৰে অভিযান আৰম্ভ কৰিছে। মহিলাৰ ৫২ কিল 'গ্ৰাম ওজন শাখাত বৰ্তমানৰ বিশ্ব চেম্পিয়ন নিখত জৰিনে আয়োজক দেশৰ ৰাখীম্বাৰ্দি ঝানছায়াক ৫-০ গেমত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হয়। ইপিনে মহিলাৰ ৪৮ কিল 'গ্ৰাম ওজন শাখাত ভাৰতৰ মিনাক্ষীয়ে কাজাখস্তানৰ গাছিমোভা ৰ’ক্সানাৰ বিৰুদ্ধে ৪-১ গে 'মত বিজয় সাব্যস্ত কৰে। আন এগৰাকী ভাৰতীয় খেলুৱৈ অনামিকাই মহিলাৰ ৫০ কিল'গ্ৰাম ওজন শাখাত ঝুমাবায়েভা আৰাইলিমক পৰাস্ত কৰে।

ইফালে পুৰুষৰ ৭৫ কিল 'গ্ৰাম ওজন শাখাত ইছমীত সিং কাজাখস্তানৰ আৰ্মানুলী আৰ্মাটৰ হাতত ০-৫ গে'মত পৰাজয়ৰ সন্মুখীন হয়। মহিলাৰ ৫৪ কিল 'গ্ৰাম ওজন শাখাত ভাৰতৰ ছোনিয়াও চীনৰ চাং ইউয়ানৰ বিৰুদ্ধে ০-৫ গে'মত পৰাস্ত হয়।

প্ৰতিযোগিতাত আজি ছবাৰকৈ এছিয়ান চেম্পিয়নশ্বিপৰ পদক অৰ্জন কৰা শিৱ থাপা আন পাঁচগৰাকী ভাৰতীয় খেলুৱৈৰ সৈতে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ 'ব। এইবেলি ২১ গৰাকী খেলুৱৈয়ে আগশাৰীৰ বক্সিং প্ৰতিযোগিতাখনত ভাৰতক প্ৰতিনিধিত্ব কৰিছে।

০০০০০

সমাপ্ত